
# মোৰ জীৱনৰ আধৰুৱা ভাৱ



স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি

# ৰঙিলী বাৰ্ত্তা

গুৱাহাটীৰ মানপাৰাৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক


পঞ্জীয়ন নং ৫৩৮৮৩/৯৪

RNI NO. 53883/94.Assam Govt.Approved

POSTAL.REDG. NO. TECH/RNP/GH-098/06-08.
GUWAHATI—25.

1st Publication –1st October 2022


মুখ্য সম্পাদক : উদ্দীপ্ত নয়ন মেধি

| | |
|---|---|
| মূখ্য উপদেষ্টা : | লিলি মেধি |
| উপদেষ্টা : | পৱন কুমাৰ আগৰৱালা |
| | মনোজ সাৰফ |
| | ড০ অনিল শৰ্মা |
| মূখ্য সম্পাদক : | উদ্দীপ্ত নয়ন মেধি |
| সহ সম্পাদিকা : | স্বাগতা বৰুৱা গোস্বামী |
| | অদিতি দত্ত লহকৰ |
| ব্যৱস্থাপক : | বিক্ৰম দত্ত লহকৰ |
| উপ সম্পাদিকা : | ময়ুৰী মেধি |
| অক্ষৰ বিন্যাস : | ৰিচা তালুকদাৰ |
| | মৌচম দাস |
| | লাচিত বৰ্মন |
| মুদ্ৰক আৰু প্ৰকাশক : | উদ্দীপ্ত নয়ন মেধি |
| কোভাৰ ডিজাইন : | ৰিচা তালুকদাৰ |
| | মৌচম দাস |
| | লাচিত বৰ্মন |

সমপাদকীয়

শৰতৰ শেৱালি সৰা বতৰতে আই গোঁসানী দেৱী দুৰ্গা মৰতলৈ আহে ভক্তৰ পূজাভাগ গ্ৰহণ কৰিবলৈ। শ্ৰীশ্ৰীদুৰ্গা দেৱী বছৰত দুবাৰ আহে ধৰা ধামলৈ। এবাৰ বসন্ত কালত বাসন্তী দেৱী স্বৰূপে আৰু এবাৰ শৰত কালত আহে শাৰদীয় দুৰ্গা দেৱী হৈ।

ভাৰতীয় লোকসকলে নাৰী জাতিক কেবাটাও ৰূপত দৰ্শন কৰিলেও শ্ৰেষ্ঠতম দৰ্শন হৈছে মাতৃত্বৰূপটো। সেয়ে দেৱতা সকলতকৈ দেৱীৰ বন্দনা বা পূজা অৰ্চনাত ভাৰতীয় লোকসকল বেছি অভ্যস্ত। নাৰী হৈছে শক্তিৰ আধাৰ । নাৰীৰ অজেয় শক্তিত সকলো বশিভূত নোহোৱাকৈ থাকিব নোৱাৰে।

দুৰ্গাদেবীও মাতৃশক্তি। দুৰ্গতি নাশিনী, যশকাৰিণী, ঐশ্বৰ্য্য বৰণী, শক্তিদায়িনী আদিৰ আধাৰ বুলি ভক্তসকলে আৱাহমান কালৰে পৰা পূজা অৰ্চনা কৰি আহিছে।। আনহাতে দেৱী দুৰ্গাক এশ আঠটা নামেৰেও বন্দনা কৰা হয়। দুৰ্গা দেৱী দশভূজা। এই দশভূজাৰ আন এটা তাত্বিক দিশ আছে। কিয়নো ধৰা ধামত অসুৰ বধ কৰিবলৈ দহোটা দিশৰ পৰা দহটা শক্তিক আহবান কৰিছিল আৰু সেই দহোটা শক্তিৰ সন্মিলিত শক্তিৰে মহিষাসুৰক বধ কৰিছিল দেৱী দুৰ্গায়।

আজিও আমাৰ সমাজত মহিষাসুৰৰ নিচিনা অনেক অসুৰ আছে। যিবোৰ অসুৰে আমাৰ সমাজখনৰ সুস্থতাত বিঘ্ন ঘটাইছে। এইবোৰ অসুৰ বধ কৰিবলৈও আমাক বহুতো দুৰ্গাৰ প্ৰয়োজন হৈছে, নহ'লে সাধু সন্তসকল জীয়াই থকা টান হৈ পৰিছে। গতিকে মা দুৰ্গা তুমি আমাৰ দেশত সদায় বিৰাজি থকা স্বৰ্গলৈ আৰু যাব নালাগে।

সেয়েহে কৈছো -

দুৰ্গতি নাশিনী আই মাতৃ দুৰ্গা

চিৰদিনে তুমি আমাৰ লগত থাকা,

তুমি নাথাকিলে দেখোন আমাক

নবৰূপী এই দানৱবোৰে

মাৰি কাটি কৰিব শেষ

সেয়েহে আই কৰিছো কাতৰ প্ৰাৰ্থনা

দুষ্টক দমন কৰি

ভক্তক ভালদৰে পালন কৰা

শাৰদীয় বতৰত তোমাৰ আগমনত

জগতত হওঁক শান্তি প্ৰতিষ্ঠা

এয়ে প্ৰাৰ্থনা আমাৰ

জয় মা দুৰ্গা।। ঃঃঃঃঃ

**1**

জনম লভিলো বামুনী গাঁৱত

মাতৃ সোণেশ্বৰী পিতৃ গেৰাৰাম

অতি দুখীয়া কৃষক পৰিয়াল

তাতে প্ৰভুয়ে ডিলে জনম ।।

**2**

পিতাৰে মাক ঢুকাল সৰুতে

মাৰো মাকে গল অকালতে এৰি

পিতাৰ মাহীয়ে হল খুৰী

মাক আনিলে তেৰ বছৰটো বিয়া কৰি ।।

**3**

দুয়ো মাউৰা মাউৰীয়ে বিয়া পাতিলে

ভাবি সংসাৰ সুখৰ কৰিম

খুৰী মাকৰ ডাঙৰ লৰা বন্তি

যাতনা দিব ধৰিলে অসীম ।।

**4**

পিতাৰ খুৰাক বুদুৰাম

লৰা দুটি ছোৱালী চাৰিজনী

এখন ভৰা সংসাৰৰ দায়িত্ব

মূৰ পাতি ললে পিতাই জানী ।।

**5**

পিতাৰ দেউতাক আছিল আদৰু

দ্বিতীয় সংসাৰ পাতিলে,

আদৰুই  লগত

ন-কৈ সংসাৰ গঢ়িলে।।

**6**

আদৰুৰ এথমা পত্নীৰ

পিতা আৰু পেহী  গিৰিবালা

মাহী মাকৰ অত্যাচাৰ নোৱাৰি সহিব

পেহীক  বিবাহ পাশত সুমাইদিলা।।

**7**

পিতা আছিল সৰুৰে পৰা

খুৰা, খুৰী, মাহীয়েকৰ লগত

সেই বাবে মাহী মাকে পিতাক

নাম নিদিয়ে সম্পত্তিৰ ভাগত।।

**8**

আমাৰ বংশের প্ৰথম আগমন

মোৰ ককাই খগেনৰ

মাৰ যাতনা কাঢ়িলে দিনে দিনে

দেউৰ - ননদ যৱৰ।।

## 9

এটি-দুটি কৰি পিতাই

পাতি দিলে সিহঁতৰ বিয়া

পিতাক  মহৰ খুটিত  ৰাখি

মাক যাতনা হল দিয়া।।

## 10

বুঢ়ুৰ বৃহৎ পৰিয়ালটোৰ পৰা

পদে পদে পালে যাতনা

তথাপিও নপৰিল ভাগৰি

কৰি ভগৱানৰ প্ৰাৰ্থনা।।

## 11

এটি দুটিকৈ  বছৰ বাগৰিল

মাৰ কোলালৈ  আহিলো  মই

পিতাই চম্ভালে মহৰ যুটি

মাৰ প্ৰৱাস বেদনাৰ খবৰ নেপায়।।

## 12

বৰ ভূয়কপৰ পিচত

মাঘ মাহৰ ওঠৰ দিনত

বৃহস্পতি বাৰৰ দহ ঘটিবাড

জন্ম লভিলো জেষ্ঠা নক্ষত্ৰত।।

**13**

ইংৰাজী 1951 চন

১পহিলা ফেব্ৰুৱাৰীত

মোৰ জন্মদিন

ৰাশী পৰিল বিশ্চিকত।।

**14**

ককাইৰ জনমৰ পাচ বছৰৰ পিছত

মোৰ হল জনম

মা - পিতাই ৰাখিলে মোৰ

মহেশ নাম।।

**15**

গণনা কৰাৰ ব্যৱস্থা

নাছিল সেই সময়ত,

এনেয়ে থলে নাম মহেশ

সেই মতে ৰাশী পালে সিংহত।।

**1 6**

পিচত গণনাত উঠিল

নয়ন জ্যোতি নাম

ৰাশি বিশ্চিক

সেই দৰে হল নাম।।

**17**

দিন বোৰ বাগৰিল মাহৰ বুকুত

দিনে দিনে জটিলতা বাঢ়িল

মোৰ জন্মৰ ছমাহৰ পিছতে

আমাৰ সংসাৰ ভাগিল।।

**18**

অত দিনে ধৰি ৰখা ঘৰ খনি

চতুৰ বস্তিয়ে ভাগ ভাগ কৰিলে

সা সম্পত্তি বুলি বস্তিৰ বাহিৰে

একোকে আমাক নিদিলে। ।

**19**

নৈতৃক সম্পত্তিৰ ভাগো

নেপালে পিতাই

খুৰাকৰ লৰাটোক

কোনেকৈ সম্পত্তি পায়।।

**20**

আমাৰ সংসাৰ হৈ পৰিল

এক নিঠৰুৱা

বুকুত ককাই আৰু মোক লৈ

কি কৰে এতিয়া।।

## 21

পিতা ধৰ্ম যুধিষ্ঠিৰ অতি সৰল

মা নিৰক্ষৰ কিন্তু অতি বুদ্ধিমতি

বিচ্পৰ মাতিলে ৰাইজৰ

কবিদাদাই কৰিলে যুগুতি।।

## 22

বিচাৰত মাহীমাকে কয়

কিদৰে পাব সম্পতিৰ ভাগ

খুৰাকৰ সংসাৰ পুহিছে অতদিনে

তাৰে পাব লাগে এভাগ।।

## 23

ৰাইজত ৰায় দিলে

কথাটো নোহোৱা নহয়

খুৰাক সংসাৰ চম্ভালিছে

তাৰেই হে ভাগ পায়।।

## 24

মাকো দিয়া যন্ত্ৰণাৰ কথা

বিৱৰি কলে সমাজক

ইমানদিনে কষ্ট কৰি

সজালে ঘৰখনক।।

**25**

ইমান কষ্ট কৰি যদি

একোৰে ভাগ নেপাওঁ ৰাইজ

দুটা চলিৰে সৈতে কলৈ যাওঁ

হবই অধৰ্মৰ ৰাজ।।

**26**

অধৰ্ম হৈছে আজি শক্তিশালী

পাওৱৰ ধৰ্মৰ পৰাজয়

যুগে যুগে চলি থাকিব কিন্তু

দ্ৰৌপদীৰ বস্ত্ৰ হৰণ কথ্যাতি অজেয়।।

**27**

ধৃতৰাষ্ট্ৰৰ ৰাজসভাত

পাণ্ডৱৰ সন্মুখতে

পাঞ্চালীক কৰিলে কত অপমান

ভীষ্ম পিতামহো থাকিলে নিমাত

দ্ৰৌপদীৰ সহায় কৰে মাথো কৃষ্ণ ভগৱানে।।

**28**

সকলোৱে জনা উচিত

ধৰ্মই আমাৰ পৰম সম্বল

ৰাইজৰ ৰায়ে যাতে

দুঃশাসনে আনে অমঙ্গল।।

## 29

ইয়াকে কৈ মই মই কৰিলো মিনতি

মোৰ স্বামী ধৰ্ম যুধিষ্ঠিৰ

দক্ষিণীৰ দুখ দেখিও

হৈ আছে নিৰৱে স্থিৰ।।

## 30

ৰাইজৰ বিচাৰমতে পালো আমি

বস্তি মাটিখিনি,

গাই-গৰু পথাৰৰ মাটি

নিদিলে এধানি।।

## 31

বাচন বৰ্ত্তন বুলিবলৈ দিলে

টৌ ও কৰচ গিলাচ এটি

ভাত খাবলৈ দিলে মাথোন

এজোৰা কাহি বাতি।।

## 32

সিংহ ভাগ বাচি ললে বন্তিয়ে

আমাৰ ভাগত মাথো সিখিনি

লৰা দুটাক বুকুত বান্ধি

পাতিলে সংসাৰ খনি।।

## 33

মোৰ ছমাহতে যেতিয়া আমি

বেলেগে খাব লগা হল

আগৰ জমা জৰিত নাছিল একো

সংসাৰ চলোৱা সমস্যা আহিল।।

## 34

অধৰ্ম সূতা হেনো দেখাত বৃহৎ

ছিগে সোনকালে

ধৰ্ম সূতা দেখাত সৰু

নিছিগে কোনো কালে।।

## 35

ইয়াকে ভাবি পিতৃ মাতৃয়ে

আগবাঢ়ে জীৱন বাটত

বেলেগ হোৱাৰ পৰত কবিদাদাই

আগবঢ়াই সহায়ৰ হাত।।

## 36

মাটিৰ আধীয়া লৈ

পিতাই  খেতি কৰে

মাই বোৱে এড়ি চাদৰ

এনেদৰে আগবাঢ়ে সংসাৰ।।

## 37

সংসাৰৰ দুখ কষ্ট নুবুজিলো একো

তেতিয়া আমি সৰু

নাম লিখি দিলে পঢ়াশালাত

দুয়ো স্কুললৈ আগবাঢ়ো

## 38

সন্ধিয়া হলে মাটিৰ চাকি জ্বলাই

পাৰি দিয়ে মায়ে বস্তাখন

কাষত বহি পিতাই

শিকাই অ-আ ক ফলাখন।।

## 39

মা সু শিপিনী কৰ্মত নিৰুণা

সকলোৱে বখানে সুন্দৰ কাপোৰ

দূৰ দূৰনীৰ পৰা আহে বেপাৰী

নিব এড়ি চাদৰ।।

## 40

মাটিৰ চাকিৰ ধিমিকি ধামাক

পোহৰত পিতাই পঢ়ুৱাই

মাই টকুৰাত সুতা কাঢ়ে

আমাৰ ফালে কাণ থিয় কৰায়।।

**4 1**

মা-নিৰক্ষৰ কিন্তু ব্ৰেইন তুখাৰ

এবাৰ চালে নেলাগে  চাব দুবাৰ

সকলো বৈ যায় মনত

যেন কম্পিউটাৰ ব্ৰেইনৰ ।।

**42**

এক বুঢ়ীৰ দুষ্টকাম

ধানবানে চুহে আম

এনে নিপুনা আমাৰ মা

সংসাৰত চৰিত্ৰৰ হে আছে দাম ।।

**43**

ভালদৰে পঢ়িবি

চৰিত্ৰ বজাই চলিবি

কিহৰ আছে ভয়,

কাৰোঘৰত নেযাবি

কাৰো ঘৰত নেখাবি

আমিয়েই দুখীয়া হয়।।

**44**

বিনা কামত কাৰো ঘৰত যাব নেপাই

লোকে বা ভাবে কিদৰে

কাৰো সন্মান নাথাকে , যি বিনা কামত ঘূৰে।।

**45**

খেলিব নেযাবি, ঘৰতে থকিবি

পিতাবাই পাঠ শিকাব

মইতো নেপাওঁ আখৰচিনি

চকু থাকিও হৈছো অন্ধ।।

**46**

এতিয়াহে বুজি পাইছো

আখৰ নিচিনাই কি বাবে ব্যথা

তেৰ বছৰ বয়সতে দিলে বিয়া

নেজানিলো একো কথা।।

**47**

মা মৰিল সৰু কালতে

আমি চাৰি ভনী

মই তৃতীয়া কন্যা আমাৰ ঘৰৰ

পিতাই আনে দ্বিতীয় জনী।।

**48**

পিতাই বৰ আদৰ কৰে

আমাৰ সকলোটিকে

নাম আছিল বিষ্ণু

পিতাৰ কথা নোৱাৰো পাহৰিব

হৃদয়ত আছে এতিয়াও আৰু

## 49

পিতৃ মাতৃৰ প্ৰতি ভক্তি থাকিলেহে

ল'ৰা ছোৱালী শিক্ষাত আগবাঢ়ে

তাকে ভাবি চিন্তি পঢ়াতে

মন দিয়া যাতে ।।

## 50

পিতা ভোলানাথ ধৰ্মত ভক্তি অপাৰ

বাহ বেতৰ কামত অতি নিপুণ

দিনৰ কামবন শেষ কৰিযো

সন্ধিয়া আমাৰ পঢুৱায় ।।

## 51

ককাই ভাই একেলগে পঢ়ো

বস্তাত বহি বহি

ককাই খগেনে নোৱাৰে পঢ়িব

তপৰাই জবাব  দিও হাঁহি ।।

## 52

মোৰ পঢ়াৰ আগ্ৰহ দেখি

মা পিতা হয় খুচ

ককাইৰ আগ্ৰহ নেদেখি

দুয়ো হয় বেহুচ  ।।

## 53

ঘৰৰ সি ডাঙৰ ল'ৰা

জৰি ধৰিব লাগিব বংশৰ ,

সিযো যাদ হয় পঢ়াত বেয়া

কি হ'ব আমালোকৰ ।।

## 54

এইদৰে ডুয়ো চিন্তাকৰে

সংসাৰ খনৰ

মোৰ জন্ম ৫ বছৰ পিছত

দেখিলে বীৰেণে পোহৰ ধৰাৰ।।

## 55

এটিডুটি কৰি আমি হলো তিনিটি

পৰিয়ালৰ সংখ্যা বাঢ়িল

যাৰ ঘৰ কাম পিতাই কৰে খেতি

সৰু ভাই চোৱাৰ পাল মোৰেই পৰিল ।।

## 56

ঘৰুৱা কামত সহায় কৰিলে মাক

অধিক এ চাদৰ পাৰে ধনাৱকে

মাক সহাই কৰো

ডুপইচা আৰ্জনৰ হকে ।।

**57**

এদিন পিতাই দুয়োকে পঢ়াই

সন্ধিয়া মাটিৰ চাকি জ্বলায়

মই দিও উত্তৰ ককাই নোৱাৰে

তাৰ বাবে পিতাৰ খং উঠি  যায় ।।

**58**

পিতাৰ ক’ কই সিনকয়

পিতাৰ উঠিল খং মূৰত

উপায় নেপাই পিতাই

সুমায় দিয়ে চাকি মুখত ।।

**59**

সি বৰ আকোঁৰ গোজ

নপঢ়ো যা - কি কৰ কৰ

তেনেহলে নপঢ়া যদি

হাৰৰ মুঠিতে ধৰি ।।

**60**

সি বোলে হ'ব সিটো

কৰিম হালৰ কাম

তোৰ লগতে লগহে

পথাৰলৈ যাম ।।

## 61

মাই বোলে খালি খালি

আখৰ কিটা চিনি লৱ,

আখৰ কেইটা জানিলে তোক

কোনোৱে নোৱাৰে থগিব।।

## 62

ভেবাহী  মাৰি কলে সি

ভাগ্য যি আছে তাকেহে হ'ব,

মোৰ দ্বাৰা খেতি বাতিত

পিতাৰেই সহায় হ'ব।।

## 63

ককাই সহায় কৰে পিতাক

খেতি পথাৰৰ কামঠাই

মই কৰো মাক সহায়

সকলো ঘৰৰ কাম  ছপায় ।।

## 64

এখোপ এখোপ কৰি

তৃতীয় শ্ৰেণী পালো

বঁটা বিতৰণী সভাত

নাটক কৰিলোঁ ।।

## 65

মলো ভাৰত কলিতা ছাৰে

লিখিছিল এখনি নাটক

গিৰিণক দিলে অন্য চৰিত্ৰ

কৃষক পাতিলে মোক ।।

## 66

নাটক চৰিত্ৰত গিতিনে

কৃষকৰ বুকুত দিয়ে হানি,

হানটো হ'ল বেছিজোৰ

বুকু গ'ল বিদাৰী।

## 67

অভিনয়ত ভাল গালে ৰাইজে

বঁটা আগবঢ়ালে এটকা

মঞ্চত উঠি ৰাইজক প্ৰণামী

ললো সিটো টকা ।।

## 68

সেই টকাই হ'ল মোৰ জীৱনত

প্ৰথম বঁটা পুৰস্কাৰ

ভালদৰে পঢ়া শুনা কৰা

ৰাখিব পাৰো সন্মান মা- পিতাৰ ।।

## 69

পাঠশাল পাচ কৰি শৈশৱ এৰিলোঁ

পালো হাইস্কুলৰ দেউনা

পঢ়াৰ সম্বল নাই

কিদৰে কৰে পঢ়া শুনা ।।

## 70

বামুন্দী হাইস্কুল পঢ়িলে

দিব লাগে মাহে মাচুল

তাকে  ভাবি মা- পিতাৰ

মন ভাগি পৰিল ।।

## 71

মই কলো চিন্তা নকৰিবি

কিবা কৰি হ'লেও মই পঢ়িম

ৰচি শস্যৰ খেতি কৰিবি তহতে

মই বজাৰত বেছিম ।।

## 72

কৰ্মত কোনো লাজ নাই

চোৰ কৰিলেহে লাগে লাজ

বজাৰত গৈ বস্তু বেছিম

মিজিব সকলো  কাজ ।।

## 73

কৰ্মই ধৰ্ম কৰ্মই সকলো

কৰ্মত লাজ নাই

দুখ কৰিলেহে বোলে মুখ ভৰে

সকলোৱে দেখোন কয় ।।

## 74

এম - ভিত পঢ়িলেহেঁতেনো

নেলাগে স্কুলৰ ফিজ

হালোগাওঁ লৈ গৈ তাতে পঢ়িম

হ'ব সিযো নিজা ।।

## 75

খোজ কাঢ়ি মাথোন যাব লাগিব

অলপ বেছি দূৰত

সকলো সহিম সকলো কৰিম

কেৱল পঢ়াৰ নামত ।।

## 76

এম -ভিত হেডমাষ্টৰ আছিল

নবীন বৰুৱা থাকে আমাৰ চুপাত

যোগেশ, প্ৰদীপ দুয়ো ল'ৰা

পঢ়ে গৈ হালোগাওঁত ।।

**77**

ভালেই হ'ব মাষ্টাৰ ল'ৰা

লগ ভালেই পাম

তিনিও লগহৈ স্কুললৈ

খোজ কাঢ়িযে যাম ।।

**78**

অৱশ্যে সিহত মাষ্টাৰৰ ল'ৰা

ভালকৈ জোতা মুজা পিন্ধি যাব

যাম মই খালি ভৰিৰে

কিনো মোৰ হ'ব ।।

**79**

শিল গুটিৰ কেঁচা ৰাষ্টা

থাকে শিল পৰি

গেজা খায় আঙুলী ভাগে

উখহে মোৰ দুয়ো ভৰি ।।

**80**

সিহঁত যায় গেৰেপ গেৰেপ

মই যাওঁ লেৰেলী

তিনিও কিন্তু লগহওঁ

এবাৰ হলেওঁ গধূলি ।।

**81**

মাষ্টাৰ বৰুৱাৰ ঘৰখন হৈছে

এখন আদৰ্শৰ পৰিয়াল

পঢ়াই শুনাই সকলো ক্ষেত্ৰতে

ঘৰৰ পৰিৱেশ বৰ ভাল ।।

**82**

মাষ্টাৰ বৰুৱাৰ ঘৈনীযেকো

এলগিৰ হেডমাষ্টৰনী

নাম হৈছে পদ্মাৱতী

ভাল শিক্ষয়িত্ৰী আদৰ্শ গৃহীনী ।।

**83**

ল'ৰা ছোৱালী গঢ় দিয়াত

মাতৃৰ স্থান আগত ,

সু গৃহীনী আদৰ্শ নাৰি

পাৱলৈ টান ভাগ্যত ।।

**84**

প্ৰদীপ বৰুৱা মোৰ লগত

নাম লিখিলো একে ক্লাছত

ইটো পৰিয়ালৰ লগত থাকিলে

যাব পাৰিম  আগত ।।

**85**

তাৰে কথা ভাবি মই

গঢ়িলো সম্পৰ্ক বেছি

দুই এখন ভাল কিতাপ দিয়ে

পঢ়িবলৈ বাছি ।।

**86**

বৰুৱা পৰিয়ালক অনুকৰণ কৰি

বহু কথা পাৰিলো জানিব

খেতিয়কৰ ল'ৰা মই

নিদিয়ে কাৰো ঘৰত যাব ।।

**87**

মাষ্টাৰ বৰুৱাৰ ঘৰলৈ গ'লে

মাই নিদিয়ে বাধা,

তালৈ গ'লে শিকিব পাৰিম

কিছু নহ'লেও আধা ।।

**88**

এবছৰ দুবছৰ কৰি

গ'ল তিনিবছৰ উকলি

হালোগাওঁ এম -ভি পাছ কৰি

পালো হাইস্কুলৰ দুৱাৰ ।।

## 89

৬ ষ্ট মাহলৈ এম ভি পঢ়ি

৪ৰ্থত লগালো হাইস্কুলত

হৰি শৰ্মা মাষ্টাৰ দাদাই

নাম লিখাই দিলে ক্লাছত ।।

## 90

দাদা হৈছে স্কুলখনৰ চেকেণ্ড মাষ্টাৰ ,

কৰে সকলোৰে ভয়

মোৰ ভালেই হ'ল চিনাকি যেতিয়া

কিতাপ কাগজৰ পায় সহায় ।।

## 91

স্কুলখনৰ মুৰব্বী প্ৰধান শিক্ষক

ছাৰ আদ্যনাথ চক্ৰৱৰ্তী

চিনাকি কৰি দিয়ে দাদাই

কৰে স্কুলত নাম ভৰ্তি ।।

## 92

চক্ৰৱৰ্তী ছাৰ শিক্ষাবিদ এজন

কৰে সকলোকে সহায়

মাছুল আধা কৰি দি মোক

সহায়ৰ হাত আগবঢ়ায় ।।

## 93

লাইব্ৰেৰী পৰা কিতাপ দিয়ে

মাছুল কৰালে আধা ,

পঢ়া শুনাত যাতে

নহয় কেতিয়াও বাধা ।।

## 94

সৰুৰে পৰাই মই আগত যোৱা

কাম কৰি ভাল পাওঁ

সকলো কামতে ভাগলৈ

আগ্ৰহ দেখুৱাও ।।

## 95

আগ্ৰহ দেখি সকলোৱে

কৰে অতি মৰম

কাৰো বচন নেপেলাওঁ

তেতিয়াহে মৰম পাম ।।

## 96

হাইস্কুলত পঢ়াৰ সময়ত

দিয়ে চক্ৰৱৰ্তী ছাৰে চকু

মাষ্টৰ বৰুৱাৰ ঘৰলৈ কিন্তু

মাৰিথাকো মাঁকু ।।

## 97

এল- পি স্কুলত মোক

পাতিলে চাফাইন্ত্ৰী

হাইস্কুলতো বিবা হোৱাৰ

পাতিলো মনত যুগুতি ।।

## 98

নাইনত থাকুতে পঢ়ি

ইলেকচনত দিলো ভৰি,

সহ সাধাৰন সম্পাদকৰ

হলো দাবীদাৰি ।।

## 99

আছিলো আমি তিনিটা দল

বিপিন ছেক্ৰেটেৰী মই সহকাৰী

বাকী দুটা দলত কৈ

বিপিন মহেশৰ ভাল যুৰি ।।

## 100

বিপুল ভোটৰ ব্যয়কৰাকৈ সবে

পালো ভাল পদবীৰ সন্মান

কাম কৰি দেখুৱাব লাগিব

তেতিয়াহে থাকিব আমাৰ মান ।।

**101**

সহকাৰী জি -এছ হ'লেও

দিয়ে ছাৰে মোকেই আগস্থান

বিপিন মহেশ হৃদয় অভিন্ন

বিপিনে নকৰে অভিমান ।।

**102**

ফ্লেগ টনাৰ পৰা সাৱধান বিশ্ৰাম

কৰা কাম আগভাগলৈ

সৰশ্বতী পূজাৰ পৰা ৰভা সজালৈ

ভাগলওঁ আগতে গৈ ।।

**103**

হিচাপ নিকাছৰ নাই হেৰফেৰ

আমি শ্বয়ং সেৱক

শ্বয়ং সেৱকৰ  কৰ্তব্য মহান

সেৱা কৰা দেশক ।।

**104**

৭মত পঢ়োৱে আৰ- এছ-এক নিলে

বিপিন কলিতাই মোক

সেইদিন ধৰি ব্ৰত ললো

সেৱাকৰা সমাজক ।।

## 105

এইবোৰ কাম কৰিলেও

মূখ্য কাম হ'ল পঢ়া

ছাত্ৰ জীৱনতে একো নাথাকিল

বৃথা জীৱন গঢ়া ।।

## 106

মাষ্টাৰ বৰুৱাৰ যোগেশ ল'ৰা

গানে বাজনাই পঢ়া শুনাই আগবঢ়া

তেওঁৰ পৰা শিকিলোঁ মই

কবিতা গল্প লিখা ।।

## 107

কবলৈ গলে সাহিত্য চৰ্চাৰ

প্ৰথম গুৰু তেওঁ,

কলমৰ সোঁৱাদ

তেওঁৰ পৰাই পাওঁ ।।

## 108

ভষ্ঠ মানত থাকো ওলাল কবিতা

ফাফৰু কলিতাৰ বিয়োগৰ

বাতি পেহীৰ হিয়াভগা

ব্যথিত কান্দোনত ।।

## 109

বাতি পেহীৰ হিয়া বিদাৰক

কিযে কান্দোন পিতৃ বিয়োগৰ,

তেনে দৃশ্যই স্পৰ্শ কৰে হৃদয়

জন্ম দিশেমোৰ প্ৰথম কবিতাৰ ।।

## 110

অশ্ৰু সিক্ত  বেদনাৰ

লিখিলো প্ৰথম কবিতা

লাজৰ নেদেখুৱালো বাকে

সেই ভাৱ কিটা ।।

## 111

কবিতা লিখিলে বাৰু

কোনে বা কি কয়

মনৰ কথা মনতে ৰাখি

গুপুতে গুপুতে থয় ।।

## 112

ৰত্নকান্ত বেজ ছাৰে কিন্তু

ইবোৰ দিশত দিয়ে উৎসাহ

লিখাবোৰ ছাৰক চাবলৈ দিলে

দিয়ে মৰ সাহ ।।

## 113

ছাৰৰ উৎসাহ মোগেশ কাৰ মাৰ্গদৰ্শন

হ'ল মোৰ জীৱনৰ লিখনিৰ ভেটি

কিবা এটা লিখিলে দিওঁ

দুয়োকে চাব আগভেতি ।।

## 114

যোগেশ কা বেছি ডাঙৰ নহয়

জ্ঞানৰ ভান্তাৰ অপাৰ ,

অনুকৰণ কৰি আগবাঢ়িলো

কবিতা গল্প লিখাৰ ।।

## 115

প্ৰথম গল্প মোৰ আলোকত ওলাল

বিধাতাৰ লিখন বুলি

চন আছিল সিটো

উনৈশ সাতষ্ঠিত ।।

## 116

এটা দুটা কৰি লিখিলো

অনেক গল্প কবিতা

পঠাওঁ বাতৰি কাকতলৈ

কিবা যদি প্ৰকাশ পাইছেও

নেপাওঁ দেখা কতো ।।

## 117

গাঁৱলৈ বাতৰি কাকত আহে

মাত্ৰ দুই তিনিখন সেয়ো গধূলি পৰত

সেইখন চাবলৈ হেতা ওপৰা লাগে

ডাঙৰে চাই আগত

নপৰে যে আমাৰ ভাগত ।।

## 118

এদিনাখন আলোকৰ পৰা এজন

মানুহ গ'ল আমাৰ ঘৰত ,

মই লিখা কথাবোৰ পঢ়ি

আশা দিয়ে ছপোৱা কাকতত ।।

## 119

ভাল লাগিল ঈশ্বৰযেন আহিল

বিদ্যুৎ ৰঞ্জন দাস আছিল নাম

কেনেকৈ বাৰু লিখনি বোৰ

অকাশিত ৰূপত পাম ।।

## 120

ডাক যোগে মগালো আলোক

জাতীয়তা বাছি সাপ্তাহিক কাকত

বছৰেকত দিব লাগে অলপ টকা

আহি থাকিব কাকত ডাকত ।।

**121**

সেয়ে লাগিলো মই

আলোকৰ গ্ৰাহক অভিযানত

দু পইছা পাম বাইদেও দেখিব

মোৰ লিখনি কাকতত ।।

**122**

হাফপেট টো পিন্ধি গাঁৱে গাঁৱে

ঘূৰো বাতৰি সংগ্ৰহত

কাকো একো নকওঁ

থাকো আত্ম গোপনত ।।

**123**

লিখা পঢ়াৰ আগ্ৰহৰ বাবে

মাটি কাটো বৰুৱাৰ ঘৰত,

যিয়েই নহওঁক লাগে মোক শিক্ষা

এই জীৱন বাটত ।।

**124**

এইদৰে চাপে চাপে যাওঁ আগবাঢ়ি

কলম ললো হাতত তুলি

সকলো বাতৰি লৈ পঠাওঁ

প্ৰকাশ হোৱাৰ আশা বুটলি ।।

## 125

বহাগি বুলি কবিতা এটি

ওলাল নতুন অসমীয়াত

বেজ ছাৰে খবৰটো দিলে

আহি আমাৰ ক্লাছত ।।

## 126

কি যে ভাল লাগিছিল সিদিনা মোৰ

নোৱাৰো বুজাব কাকো,

নতুন অসমীয়া বাতৰিয়ে

সাদৰিলে মোৰ কবিতাকো ।।

## 127

লভিলো পৰম তৃপ্তি

মোৰ অন্তৰত,

বাস কৰা দেৱী সৰশ্বতী

মোৰ হৃদয়ত ।।

## 128

বীৰেনৰ পাছত আহিল দ্বিজেন

চতুৰ্থ ভাতৃৰ আসনলৈ,

ঘৰত এজনী ছোৱালী নাই

মাক সহায় কৰিবলৈ ।।

## 129

ঘৰৰ কাম সমস্ত কৰি

মাক দিও সহায় কৰি

ভাত ৰান্ধো , কাপোৰ ধুওঁ

আৰু বাহি বন কৰি ।।

## 130

আছিল বস্তি খুৰা

অতি টেঙৰ প্ৰকৃতিৰ লোক

মোৰ কথা লগায় ককাই

হালবোৱাত দেখোন সহায় নকৰে তোক ।।

## 131

এইদৰে ফুটলাই ককাই খগেনক

সি চিধা বুজি নেপায় একো

খুৰাৰ অন্তৰত মাজত

কি বান্ধি আছে অভি সন্ধিৰ সাকোঁ ।।

## 132

খুৰাৰ কথা শুনি জেদ ধৰে সি

ময়ো যাব লাগে হালত

হ'ব বুলি সাদৰিলো

ভয় নাই মোৰ কামত ।।

**133**

হালতো যাম মৈ’তো যাম

নচলিবা  আনৰ বুদ্ধিত

কিবা কাম থাকিলে মাক ক'বা

তেহে থাকিব শান্তি ঘৰত ।।

**134**

আনৰ কথাত চলিলে কিন্তু

অশান্তি ঘৰলৈ আহে

চাৰি ভাই হলো যেতিয়া

সুৰুভা পালে চিপৰাং মাৰিব   আনে ।।

**135**

আমাৰ মা-অতি বুদ্ধি মতি

নিদিয়ে কাকো আশয়

সকলোটিলৈ দিয়ে চকু

কাৰো এলোভনত যেন নাযায় ।।

**136**

ভাগত নিদিলে গৰু এটিত

বেলেগ হোৱাৰ পৰত

লাওঁপাৰাৰ পৰা আনিলো কাঢ়লী

ঊনৈশ ৬২ চনত।।

**137**

হৰেণ শৰ্মা দাদাই পাইছিল

চেউৰী এটি দানত

তাকে হাত কৰি আনিলো

গৈ পিতাৰ লগত ।।

**138**

পাত টকাতে কিনিলো কাঢ়লী

গৰু বুলি আমাৰ সিটো

মৰম কৰি ডাঙৰ কৰিলো

তাৰ বংশ আছে এতিয়াতো ।।

**139**

এটিৰ পৰা বাঢ়িল গৰু

হ'লগৈ চাৰি গোহালি

কৃপাৰ সাগৰৰ পালো কৃপা

চালে অলপ চকু মেলি ।।

**140**

আজিও আছে তাৰে বংশ

আমাৰ বামুন্দী গৃহত

নিদিলেও বেলেগ হোৱাৰ পৰত

মূৰ যওঁ সৱে ভগবানৰ চৰণত ।।

## 141

গা ধুই সদায় মা- পিতাই

ভগবান কৰে আৰাধনা

চোৱা প্ৰভু চকু মেলি এবাৰ

কিয় দিয়া দুখ যাতনা।।

## 142

তুমি কৃপামই তুমি দযাময়

তুমি সদানন্দ

তোমাৰ কৃপা অবিহনে প্ৰভু

ক'ত আহিব আনন্দ ।।

## 143

তুমিয়ে পৰম বন্ধু

তুমিয়ে আটিন্দম্

তুমিয়ে কৰা বিনাশ

শত্ৰুহৰণম্ ।।

## 144

চাৰি পুত্ৰৰ জনম দিলা

তুমি জগত পতি

তোমাতে শৰণ ললো

আমি মূঢ়মতি ।।

## 145

তোমাৰ দয়াৰ বাহিৰে প্ৰভু

নোৱাৰো চলিব আমি

হে জগদীশ্বৰ পিতাম্বৰ

যাম তোমাৰ চৰণ চুমী ।।

## 146

নালাগে ঐশ্বৰ্য্য বিভূতি মোক

লাগে মাথো তোমাৰ চৰন ধূলি

কাতৰে যাচিছো মধু সুধন

দিয়া যে চৰণ তলি ।।

## 147

তোমাৰ কৃপায় আমাৰ সম্বল

তোমাৰ আশীষ আমাৰ মাগন

তোমাৰ কৃপা ভিক্ষা পাশে

নেভাগে আমাৰ মন প্ৰান ।।

## 148

তুমি যে আমাৰ প্ৰকৃত বন্ধু

দয়াৰ পাইৰ এই জগতৰ

তোমাৰ বাহিৰে নাই কেৱো

সাৰথি আমাৰ জীৱনৰ ।।

## 149

কিদৰে দিয়া পোহৰ প্ৰভু

আমাৰ সংসাৰত

সকলো ব্যৱস্থা আছে

কেৱল তোমাৰ মনত ।।

## 150

চকু মেলি চোৱা মাথোন এবাৰ

হে প্ৰভু দয়াময়

নাই পুজিব  আমাৰ সম্বল

আছে এখন উকা হৃদয় ।।

## 151

খালি হাতেৰে প্ৰাৰ্থনা কৰিছো

আমি মৰুখ মতি

তোমাৰ সহায় অবিহনে

নাই আমাৰ গতি ।।

## 152

বীৰেণ- দ্বিজেন ডাঙৰ হ'ল

আহিল গুণেশ্বৰ মাঞ্চমত

দক্ষিণা মাতৃ হ'ল পাগুৱৰ

উঠিল জনৰব গাঁৱত ।।

**153**

মাক মাতে দক্ষিণী বুলি

জনম ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত

পিতা উত্তৰ পৰীযা

থাকে বামুন্দী গাঁৱত ।।

**154**

দক্ষিণ পাৰাৰ বৰবাহৰ গাঁৱত

জনম হোৱা বাবে

দক্ষিণী বুলি উপাধীৰে

মাতে গঁঞা সবে ।।

**155**

কোনোৱে কয় দক্ষিণী বুলি

কেৱে ডাকে দক্ষিণী বাই

সৰু বোৰে মাতে সকলোৱে

বুলি ডাঙৰ মাই ।।

**156**

আগতে কৈছো খুৰাৰ

বৰ চলাহি কথা

সি দেখো ঘূৰি ফুৰে

তোৰ নেলাগে বেথা ।।

**157**

এদিন ককাই হালবান নিলে

আগত বাৰীলৈ ,

স্কুলৰ বেল পৰিলে কিন্তু

দৌৰি দিম ঘৰলৈ ।।

**158**

আমি ডাঙৰ হৈ আহিলো

এটি দুটি কৰি

গুণেশ্বৰ হ'ল পঞ্চলি

আগবাঢ়ো হাতে হাতে ধৰি ।।

**159**

নাই আমাৰ ভাগত ভনী

গোটেই কেইটাই ল'ৰা

বাকীবোৰ লগাই হাঁহাকাৰ

কিছুমানৰ হিয়া ধৰফৰা ।

**160**

সংখ্যা বাঢ়িল বোজাওঁ বাঢ়িল

বাঢ়িল মা-পিতাৰ চিন্তা

কিদৰে চলাওঁ এই সংসাৰ

আহি পৰে দুঃচিন্তা ।।

## 161

মা-পিতাৰ কষ্টৰ নাই সীমা

দিনে নিশাই কাম কৰে

এনেকৈয়ে আমাৰ সংসাৰ

দুখৰ মাজেৰে চলিব ধৰে ।।

## 162

এদিনাখন ককাইয়ে কলে

যাওঁ বল হালবাবলৈ

বিনা প্ৰতিবাদে মাৰ খোৱাৰ ভয়ত

পিচে পিচে গলো গৈ ।।

## 163

হাল বাই আছো যদিও

কানখন আছে স্কুলৰ বেলত

বেলৰ কোব শুনি য়াওঁ বুলি

ককাই দেউক দিলো মাত ।।

## 164

সি কলে ৰহ চোন ৰহ

আৰু অলপ সময় বা

আজি স্কুললৈ নগলে হ'ব দে

হালখনকে বা ।।

## 165

মোৰ ভাগৰ হালখিনি

মাৰিদিলো তোক

স্কুলৰ সময় হৈছে

পেটতো লাগিছে ভোক ।।

## 166

এই বুলি কৈ মই

হাল এৰি দিলো

খঙত কোৱতে সি

পিঠিত দিলে লৰু ।।

## 167

আই ঐ মাই ঐ বুলি

ঘৰলৈ বুলি দিলো লৰ

চাচোন মা ককাই কোবাই

কি কৰিলে পিঠিত ।।

## 168

মৰমেৰে মাই কলে

সি অতি মুৰুখমতি

আনৰ কথা শুনি শুনি

লগাইছে লটি ঘটি ।।

**169**

আহকচোন আহি হালবাই সি

কোৱত ছিঙিম পিঠিখনি

ডাঙৰটো হৈও নুবজে কিয়

স্কুলৰ সময় খিনি ।।

**170**

সিদিনাৰ পিঠিৰ কোব

আজিও আছে মনত

কপালৰ লিখন সিটো

ভাবো মই হৃদয়ত ।।

**171**

সময় বোৰ গৈযে থাকিল

তেতিয়া মই ক্লাছ এইটত

ৰাখীবন্ধন সময়

মিটিং আবেলিপৰত ।।

**172**

কুঁহিয়াৰৰ আগদিব আছে

যাব নোৱাৰা কলৈকৈ

কঢ়া অৰ্ডাৰ ককাইদেউৰ

যাওঁ মই কেনেকৈ ।।

## 173

বুদ্ধি পালো মোৰ ভাগৰ কামখিনি

যদি কৰি দিও মই ,

মিটিংলৈ যোৱাত

নহ'ব কোনো ভয় ।।

## 174

দুপৰ ভাগতে মই গলো পথাৰত,

কুঁহিয়াৰ আগ পুটিম বুলি

শেষকৰি মোৰ কাম

সভাত উপস্থিত হলো আবেলি ।।

## 175

এইদৰে নানা কষ্ট কৰি

চলিবলৈ ধৰো ,

দুর্গা পূজাৰ সময়

মৰাপাটৰ কাম কৰো ।।

## 176

সৰু সৰু মৰাপাট গছ

পথাৰত আমি কাটো

মৰাপাট হোৱাত

বেপাৰিক মাতো ।।

## 177

সেইবোৰ বিকি

ধন কৰো জমা

দুৰ্গা পূজাৰ সময়ত

খৰচৰ নাই সীমা ।।

## 178

মা সু শিপিনী

ঘৰতে বোৱে কাপোৰ

তাৰে চোলা বনাই

দুৰ্গা পূজাত ।।

## 179

এবাৰ হেনো আমাৰ

বৰ অভাৱ হৈছিল

তামোলৰ পুলি বিকি

গেঞ্জী কিনি দিছিল ।।

## 180

গেঞ্জী আৰু গামোছা

আমাৰ পূজাৰ ড্ৰেছ

দুই ককাই ভাইৰ

নাই ধুন পেছ ।।

## 181

ককাইদেউ আৰু মই

মাথোন আমি দুটা ল'ৰা

গেঞ্জী গামোচাৰে

লগাওঁ লৰা ঢপৰা ।।

## 182

যি দিয়ে মা- পিতাই

তাত খেদ নাই

দুখ কৰি কিটো হ'ব

তাৰ নাই উপায় ।।

## 183

দুখৰ মাজেৰে

পালোঁগৈ মেট্ৰিক

পৰীক্ষাত কি কৰিব পাৰো

সেইতোহে সঠিক ।।

## 184

সৰুৰে পৰা আছিল ৰূপ

গান বাজানাত মোৰ

কবি দাদা প্ৰয়োজক হ'ল

খুলিলে গান পাৰ্টিৰ ।।

## 185

ভিতৰত চলে নাচৰ আখাৰা

নিদিয়ে আমাক চাব ,

বেৰৰ ফাকেৰে চাই চাই

বাহিৰত নাচৰ লগাওঁ তাণ্ডৱ ।।

## 186

বাহিৰত মোৰ নাচ দেখি

কৰে চকৰণ মোক

মনটোৱে ভিতৰে ভিতৰে কয়

সিয়ে বাৰু হওঁক ।।

## 187

যাত্ৰাৰ দলত ফুলি কি হ'ব তোৰ

পঢ়া দেখোন নহব জীৱনত

পঢ়াই হে তোৰ মুখ্য ব্ৰত

মই কয় ৰাখিবি মনত।।

## 188

সপ্তম মান নাটক কৰিলো

দিলে নাৰিৰ বেশ

পুৰস্কাৰ আনিলো নাটক কৰি

লৈ পাগলীৰ ভেশ ।।

**189**

নাৰিৰ চৰিত্ৰত অভিনয় কৰি

মই নাম কামালো

অভিনয় ভাল হোৱা বুলি

মনতে সন্তোষ লভিলো ।।

**190**

তেতিয়াৰ দিনত নাটক কৰিব

নাহে কোনো ছোৱালী

বদনামৰ ভয়ত অভিভাৱকে

দিয়ে বিধি পঠালী ।।

**191**

সেই বাবে মহিলাৰ ভাওঁ

ল'ব লাগে লৰাই

পুৰুষেই কৰিব লাগে

তাৰ বাহিৰে উপায় নাই ।।

**192**

এবাৰ দুৰ্গা পূজাৰ সময়ত

মানুহ আহিল জ্যোতিকলাৰ

মোক লাগে নাটক কৰিব

মা-পিতাৰ ওচৰত লগায় ভিৰ ।।

**193**

নাটক আছিল কলিঙ্গ বিজয়

মই হলো ৰাজকুমাৰী

চন্দনা নামৰ চৰিত্ৰত

অভিনয় কৰিলো হিয়া উজাৰী ।।

**194**

জাউৰী জাউৰী আহে

মোৰ অভিনয়ৰ বাবে

ভালপালে  আমাৰ নাটক

দেখি সকলোৱে ।।

**195**

পুৰস্কাৰ পালো অনেক

চঞ্চলাৰ অভিনয়ত

আনন্দৰ জোৱাৰ উঠে

মোৰ হিয়াত  কোমত ।।

**196**

যাত্ৰা পাৰ্টীয়ে নহয়

কাৰো আমি একাংকিকা

যোগেশ বৰুৱা লিখে

আমাৰ বাবে নাটিকা ।।

**197**

উদীয়মান পুথি ভৰাল গঢ়িলো

উদীয়মান যুৱক দলে

দ্বিতীয়টো পুথিভঁৰাল গঢ়াত

তৰুণ সংঘই হাহাকাৰ লগালে ।।

**198**

গাঁৱত দুটা পুথি ভৰাল

থাকিলে নহয় একো

আমি তৰুণ সংঘৰেই

সম্বৰ্থাৰিত কৰিব ইয়াকো ।।

**199**

আমাৰ দল সম্বৰ্থাৰিত হ'ল

উদীয়মান নৱজ্যোতি সংঘৰূপত

একাংকিকা  কৰো , যাত্ৰাপাৰ্টি কৰো

আমি হলো সবাৰে আগত ।।

**200**

জ্যোতি কলাই নাটক কৰিলেও

নাম নাই সিহঁতৰ

সকলোৰে মুখে মুখে

কেৱল উদীয়মানৰ ।।

## 201

ইটো দলে টানে সিটো দলে টানে

মোক নাটক কৰিবলৈ

কাক কম বেছি কৰো

ধৰিলো ভাবিবলৈ ।।

## 202

নাটক কৰি শত্ৰুপোহাতকৈ

নাটক নকৰাই ভাল

সংঘৰ কাম কৰিলে দেখোন

জীৱন হয় নিৰ্মল।।

## 203

সংঘই দিয়ে মহান শিক্ষা

চৰিত্ৰ নিৰ্মাণৰ

চৰিত্ৰই আচল ধন

মানৱ জীৱনৰ ।।

## 204

আত্মা সমপিলো

আৰ:- এছ কামত

বিপিন কলিতা হ'ল

মোৰ লগত ।।

**205**

দুয়ো বন্ধু সংগঠনত লাগি

গাঁৱে গাঁৱে ঘূৰো

হিন্দুত্তৰ বিচাৰ কৰি প্ৰচাৰ

ঠায়ে ঠায়ে ভ্ৰমি ফুৰো ।।

**206**

আমাৰ দুয়োৰে যুৰি দেখি

সকলোৱে বৰ ভাল পাই

সকলো ক্ষেত্ৰতে আমি দুয়োৱে

লোকক কৰো সহায় ।।

**207**

আমাৰ দলৰ লিডাৰ

হ'ল শৰৎ চন্দ্ৰ কলিতা

সকলোৱে মানে ভয়ো কৰে

ৰাখি সবে ভদ্ৰতা ।।

**208**

অঞ্চলটোৰ ভিতৰত সিয়েই প্ৰথম

আৰ-এছ-এছৰ কৰ্মী

মালদহত গৈ ট্ৰেইনিং

তাক মানি চলো সবে আঁমি ।।

**209**

আৰ-এছ-এছৰ আমি পঞ্চমূৰ্ত্তি

শৰৎ ৰামো বিপিন অৰুন

সবাতোকৈ মই বয়সত সৰু

পঞ্চমমত্তিত মোৰ স্থান ।।

**210**

বয়সত সৰু হলে কি হব

কৰ্মত আগ ভাগ পাওঁ

বিপিন মমহেশক কৰে বিশ্বাস

সকলোৰে  ই মন জিকি য়াঁও ।।

**211**

দুৰ্গা পূজাৰ সময়ত আমক

পঞ্চায়তে ভলেন্টিযাৰ কৰে

আমাৰ দুয়োৰে কিন্তু

মহিলাৰ ফালটোহে পৰে ।।

**212**

তেতিয়া আমি পঢ়ো

ক্লাছ চেভেনত

বাল্য কালত পৰা চলাছো

সামাজিক জীৱনত ।।

## 213

সমাজৰ কাম কৰি

লাগে বৰ ভাল

দুয়ো ঘূৰো দপদপাই

কৰি ইফাল সিফাল ।।

## 214

এদিন চক্ৰৱৰ্তী ছাৰে সুধিল

আমাৰ জীৱনৰ লক্ষ্য

সমাজ সেৱাই মোৰ ব্ৰত

জীৱনৰ হ'ব লক্ষ্য ।।

## 215

সৰুতে মাতিছিল মোক খুৰাই

এম-এল-এ বুলি

নেজানো কেতিয়া কলিয়াব

সেই মহান বাণী ।।

## 216

কি যে আছিল যিবোৰ দিন

ভাবি লাগে মজা

নেপাওঁ বিচাৰি আজি

সিবোৰ মনে সজা ।।

## 217

এইদৰে পাৰ হ'ল মোৰ

স্কুলীয়া জীৱন

মেট্ৰিক পাছ কৰি

পালো যেন নৱপ্ৰাণ ।।

## 218

মা-পিতা সৱাৰে চিন্তা

কি কৰিব ই

নাটক সংঘ কৰি দেখোন

সময়বোৰ কটাই ।।

## 219

মেট্ৰিক টো পাছ কৰিলো

নাছিল ডিভিজন মোৰ

সকলোৰে চিন্তা কমিল

আমাৰ ঘৰখনৰ ।।

## 220

মেট্ৰিক পাছৰ পিছত

লাগিল চিন্তা একা

কলেজত কিদৰে পঢ়িম

নাই টকা সিকা ।।

**221**

ছোৱালী বিচাৰোঁতে ছয় নম্বাৰত

জন্ম হ'ল দিলীপৰ

ল'ৰাৰ সংসাৰ জিলিকিল

হ'ল বৃহৎ সংসাৰ আমাৰ ।।

**222**

স্কুলীয়া জীৱন কাহিনী

সামৰিলো ইমানতে

চমুকৈ বুটলিছো জীৱন বৃত্তান্ত

লিখিলো কবিতা ছন্দতে ।।

**223**

বেদনা ভৰা স্কুলীয়া জীৱন

ইমানতে এৰিলোঁ

কলেজীয়া জীৱনৰ কথা

আৰম্ভ কৰিলোঁ ।।

**224**

মেট্ৰিক পাছ কৰি লাগিল হাহাকাৰ

এড্ মিচন ল'বলৈ নাই ধন

কিদৰে দেখা পাম কলেজ

ভাৰাক্ৰান্ত হ'ল মোৰ মন ।।

## 225

শুৱালকুছি কলেজত

নাম লিখিলো

বিপিন সৈতে

কলেজত গলো ।।

## 226

বিপিনে পিন্ধে লংপেট

মই পিন্ধো ধুতি

তাৰ ৩২ টা বুটামৰ লংপেট

দেখি খায় বিচ্যুতি ।।

## 227

বিপিনক টিপ টপ দেখি

নতুন ৰেলি চাইকেলেৰে

মই জংকো পংকো

ধুতি চোলা জোৰে ।।

## 228

ধুতিৰ ডবল পেছ

মাৰো মাৰাঠী ষ্টাইলত

ল'ৰা বোৰে দেখি মোক

নিলে মাতি আঁতৰত ।।

## 229

ৰুমৰ ভিতৰত ধৰি অকলে

কিবা কিবি দেখোন সুধে

লাগ বান্ধ নাই দিয়ে ধমকি

কৰি জধে মধে ।।

## 230

কথা সুধি ধুতি দিলে খুলি

সহিলো মই নিৰৱে

প্ৰতিবাদ কৰিলে জাঙুৰ খাই উঠে

তেওঁলোক সৰে ।।

## 231

এইদৰে কলেজৰ প্ৰথম দিনত

দিলে সৰেমিলি আমনি

ভাবিছিলো দিওঁ নেকি

সিহঁতক এশকনি ।।

## 232

পিছতহে গম পালো

সিবোৰ হেনো কিবা ৰেগিং

কলেজ বোৰত চিনিয়ৰ বোৰে

এইদৰে কৰে ইতিকিং ।।

**233**

নৱাগত আদৰণী সভাত

নামদিলো ভাষণ দিয়াত

কম সকলো বিৰৰি

ধুতিত ধৰি দিয়া আঘাত ।।

**234**

সময়ত আহি পৰিল

ভাষণ দিবলৈ মোৰ নাম

সৰ্বম নমস্কাৰম বুলি

জনালোঁ প্ৰণাম ।।

**235**

বিৰৰি কলো মই

অসমীয়াৰ অভিমান

জাতীয় পোছাকৰ আজি

কিয় হয় অপমান ।।

**236**

ৰেগিংৰ নামত যদি

ছাত্ৰই খুলি দিয়ে ধুতি

বিদ্যাৰ্থী কালতে কিয়

নিচিনো নিজ জাতি ।।

**237**

ৰেগিংৰ নামত চলিছে

কত অপ সংস্কৃতি

অসমীয়া সৱে দেখোন

নিচিনে নিজা কৃষ্টি ।।

**238**

অসমীয়া সাজ পাৰ অসমীয়া মন প্ৰান

অসমীয়া বেশ কলেজীয়া কালতে

শিক্ষা গ্ৰহণ কৰি

লোৱা উচিত ভাৱাৱেশ ।।

**239**

নাই আক্ষেপ মোৰ

সি সৱৰ প্ৰতি

যি বোৰ ধুতিত ধৰি

কৰিলে লটি ঘটি ।।

**240**

জাতীয় চৰিত্ৰৰ অভাৱ হেতু

কৰিছে তেনে কাম

আহাসবে মিলি জাতিৰ

অভিমান ৰক্ষা কৰিম ।।

## 241

ভাষণৰ পিচত সকলোৱে

বাঃ বাঃ দিলে

গাৱতো সিংহ থাকে

সৱে ভাৱিলে ।।

## 242

ধন্যবাদ তুমি ভাই

গাঁৱলীয়া ছাত্ৰৰ গৌৰৱ

ধনীসৱে ভাবে

আমি নহয় মানৱ ।।

## 243

শুৱালকুছিয়া ল'ৰা বোৰ

থাকে টাউনীযা ষ্টাইলত

তেওঁ বিলাকে ভাবে আমাক

বুলি গাঁৱলীয়া ভূত ।।

## 244

গ্ৰামীণ বাসিন্দা ছাত্ৰবোৰে

পালে স্থল সাহসৰ

সৱে মিলি মাত দিয়ে

বন্ধু বাঢ়িল মোৰ ।।

**245**

এইদৰে বছৰ খানিক

গ'ল কলেজী জীৱনৰ

শিক্ষক ছাত্ৰ সবাৰে

মোহ আহিল মনৰ ।।

**246**

কিন্তু দুখৰ দিনে নেৰিলে মোক

দিন আহি পৰিল ফৰ্মফিলাপৰ

ভালে খিনিও দেখোন যোগাৰ

লাগিব মোক ধনৰ ।।

**247**

বাৰ্দদিলো ধনৰ অভাৱত

পৰীক্ষণ দিয়াৰ

ভাবিলো শেষ মোৰ

জীৱন কলেজৰ ।।

**248**

তেতিয়া আছিল

বৰপেটাত উপনিঠানে

জনসংঘত ভৰ্ত্তি হৈ

বৰপেটালৈ কৰিলো গমণ ।।

## 249

জনসংঘৰ প্ৰাৰ্থী আছিল

খনীন্দ্ৰ বৰুৱা

প্ৰদীপ হোটেলত আমাৰ

থকা খোৱা লোৱা ।।

## 250

কংগ্ৰেছ প্ৰাৰ্থী আছিল

ফখৰুদ্দিন আলি আহমেদ

তেওঁৰ বিৰুদ্ধে চলালোঁগৈ

নিৰ্বাচনী প্ৰচাৰ সম্ভেদ ।।

## 251

সেয়ে মোৰ জীৱনৰ প্ৰথম

ৰাজনীতিৰ প্ৰচাৰ অভিযান

নাই কোনো চিন্তা ভাৱনা

পৰীক্ষাৰ গুণ গান ।।

## 252

মধুকৰ জী লিমাযে

আৰ এছ-এছৰ প্ৰচাৰক

নিৰ্বাচনী কাৰ্য্যালয়ত

মোক দেখি হ'ল হতবাক ।।

## 253

কিয় আহিলা পৰীক্ষা দিব এৰি

এই নিৰ্বাচনী কামত

পৰীক্ষা নিদিয় নেকি

কিহৈছে মনত ।।

## 254

সকলো কলো মই

তেওঁক বিৱৰি

ধনৰ অভাৱেই

হৈছে মোৰ লগৰী ।।

## 255

টিক আছে পৰীক্ষা দিয়া

ফিজ দিম মই

আলোকৰ গ্ৰাহক কৰি

দিয়া টকা ঘূৰায় ।।

## 256

পৰীক্ষা দিলো যদিও

অৰ্থনৈতিত কম পালো

এবছৰ কালমোৰ

এনেয়ে ক্ষতি কৰিলোঁ ।।

**257**

এই বছৰৰ পৰাই মোৰ

আৰম্ভ হ'ল নতুন জীৱন

সংঘৰ কাম কৰি

পঢ়াৰ ললো পণ ।।

**258**

১৯৭১ চনত ১২ জুলাই

আছিল সিদিনা মঙ্গঁলবাৰ

বিনায়ক জীৰ লগত ওলালো

বুলি ৰঙিয়া নগৰ ।।

**259**

খাকী হাফ পেটটো পিন্ধি

ভৰিত হাৱাই চেণ্ডেল

বিনায়ক জীৰ মাৰ্গ দৰ্শন

হ'ল মোৰ মনোবল ।।

**260**

বিপিন গ'ল নলবাৰী

মোক নিলে ৰঙিয়া

এয়া মোৰ প্ৰথম

দৰ্শন জীৱন টাউনীযা ।।

## 261

কলেজ আৰু তিনিটা পৰিয়াল

চিনাকি কৰি দিলে মোক

লঘোণে ভোকে দিনটো কটাই

নলবাৰীত পালো লগ বিপিনক ।।

## 262

কলেজৰ নাম লিখিবলৈ

মায়ে দিয়ে এখন এৰি চাদৰ

তাকে ৰঙিয়াত বিকি

পালো কলেজৰ দুৱাৰ ।।

## 263

ৰঙিয়াত শান্তিপুৰত

সুৰেন্দ্ৰ লহকৰ ঘৰত

থাকিলো সাতদিন,

সেইখনেই মোৰ জীৱনৰ

প্ৰথম আশ্ৰয় স্থল

আজীৱন থাকিব মনত ।।

## 264

সংঘৰ শিক্ষা স্বাৱলম্বী হোৱা

সেয়ে কয় স্বয়ং সেৱক,

নিজে পঢ়ো আনকো পঢ়ুৱাও, অগ্ৰাধিকাৰ দিও কৰ্মক ।।

## 265

সাতদিনৰ ভিতৰত ৰঙিয়া নগৰত

পাতিলো বন্ধুত্বৰ মেলা

সকলো ক্ষেত্ৰতে মন মেলিলো

নেৰিলো একো খেলা ধূলা ।।

## 266

ৰঙিয়া কলেজতো

নৱাগত আদৰণী সভাত

দিলো এটি ভাষণ

মঞ্চত উঠিলে

চিনিব সকলোৱে

এয়ে মধুৰ ক্ষণ ।।

## 267

প্ৰিঞ্চিপাল আছিল বীৰেন বৰদলৈ

গৌৰীনাথ বৰদলৈৰ ল'ৰা

মোক মৰম কৰে অসীম

ভাবি যেন নিজৰ ল'ৰা ।।

## 268

ৰঙিয়া নগৰত এনে অনুষ্ঠান নাই

য'ত নেকি মই নাই

হেঁচা মাৰি যাও সকলোতে,  কোনো লাজ নাই ।।

## 269

কলেজ খনত আছিল আগতে

এচাম লোকৰ দপদপনি

পিছত বছৰত উঠিলো জি-এছ

ব্ৰতললো চতিওৱা শান্তি পানী ।।

## 270

মোৰ প্ৰতিদ্বন্দ্বি আছিল চুলেমান

তাৰ ঘৰ ৰঙিয়াত শোলমাৰীত

মোক কিন্তু নেজানে সবে

ঘৰ  যে বামুন্দীত ।।

## 271

ৰঙিয়াৰ বোৰে ভাবে

আমাৰ এই নগৰৰ

গাঁৱৰ বোৰে চিন্তে

এওঁ আমাৰ গাঁৱৰ ।।

## 272

তেতিয়াৰ দিনত চুলেমানে

খৰছ কৰে পাঁচ শ টকা

মই হলো ধনবিৎ নোহোৱা

নাই কিন্তু মনত শংকা ।।

**273**

কাৰ্ড বিলালে সবাকে সি

দিব লাগে তাৰ ভোট টি

নাই ছপোৱা কাৰ্ড মই

মোৰ নীতি শান্তি সম্প্ৰীতি ।।

**274**

ইলেকচনত যদি ধন

খৰছ কৰো সম্প্ৰতি

কৰিব লাগিব দেখোন

মই দুৰ্নীতি ।।

**275**

ধনো খৰছ নকৰো

দুৰ্নীতি নকৰো

মোৰ আদৰ্শ হ'ল সুনীতি

মন জয়  কৰি

নিৰ্বাচনত জিকিম ই

যে হ'ব মোৰ ভেটি ।।

**276**

আগ বেঞ্চত বহি ক্লাছকৰি

চেলু চাই থাকো মই

কেতিয়া বিলায় ক্লাছত কাৰ্ড, তাৰ আগতে ক্লাছত ওলাম যায় ।।

## 277

একে ক্লাছত পঢ়ো দুয়ো

গমপাওঁ তাৰ সকলো

কাৰ্ড সি বিলোৱাৰ আগতে

ক্লাছে ক্লাছে উপস্থিত হলো ।।

## 278

সি যোৱাৰ আগতে মই

মোৰ নীতি দিলো বিৱৰি

ভাষণ শুনি সমৰ্থীলে সবে

বজাই হাত চাপৰি ।।

## 279

বিপুল ভোটত জয়ী হলো

কলেজৰ জি-এছ ৰূপত

ঘূৰালে কলেজত মোক

বন্ধু সৱে তুলি কান্ধত ।।

## 280

বন্ধু সৱক কলো মই

এই বিজয় আপোনাসৱৰ

সবে মিলি উন্নতি সাধিম

এই মহাবিদ্যালয় খনিৰ ।।

## 281

বিশ টকাৰ মটন কিনি

বিলালো ক্লাছে ক্লাছে

সামান্য কৃতজ্ঞতা চিন

জানিবা পিচে ।।

## 282

তেতিয়া আছিল মাধ্যম আন্দোলন

অসমত লাগিল হাঁহকাৰ

মোজামিল হ'ক শ্বহীদ হ'ল

অসমীয়া ভাষা জাননীৰ ।।

## 283

মাধ্যম আন্দোলনে তীব্ৰ ৰূপ ললে

আছুৰ নেতৃত্বত

ৰঙিয়া নগৰ বহু ভাষী ঠাই

বহু চিন্তা হ'ল মনত ।।

## 284

আগতে আছিল লিডাৰ চিপ

উত্তৰ কামৰূপ ছাত্ৰ সন্থাৰ হাতত

বুদ্ধি পাঙি মিতিৰ পাতি

আনিলো নেতৃত্ব  কলেজৰ হাতত ।।

## 285

স্কুলীয়া ছাত্ৰৰ নেতৃত্বৰ পিচত

কিয়ৰাৰু আমি য়াঁও,

কলেজৰ ছাত্ৰ আমি

কিয় নেতৃত্বৰ ভাগ নলওঁ ।।

## 286

ভাবিচোৱা কলেজৰ সন্মান

আমাৰহে আগস্থান

স্কুলীয়া ছাত্ৰক শিকাব লাগে

কেনেকৈ নেতৃত্বৰ চলে আন্দোলন ।।

## 287

এনেদৰে মিটিং পাতি

ললো নেতৃত্ব হাতৰ মুঠিত

জগিয়াই গঢ়ো আমি সবে

মাধ্যম আন্দোলনত ।।

## 288

পুলিচৰ ছি-আই আছিল

পুৰুকান্ত বুলি ভদ্ৰলোক

তেওঁ সকলো সময়তে

প্ৰটেকচন দিয়ে মোক ।।

## 289

একে গাড়ীত চি-আই চাহাব

আৰু ছাৰ প্ৰিঞ্চিপাল

কাষত সদায় ৰাখে মোক

লাগে বৰ ভাল ।।

## 290

নেতৃত্বৰ দপদপনিত

কয় হিতাকাংশী সবে

নুঘুৰিবা অকল শৰে

দিনকাল বেয়া ক'ত কি হয়

চলিবা বিবেকেৰে ।।

## 291

প্ৰভু মোৰ সহায় আছে সদায়

কৰা নাই কাৰো অন্যায়

মিত্ৰ ৰূপেৰে কৰিছো কাম

কৰিম কিহৰ ভয় ।।

## 292

আন্দোলনত ভাগ ললো,

আছু সক্ৰিয় সদস্যহৈ

সংঘৰ কাম আৰু পঢ়া শুনা

কৰিছো নিযিৰিকৈ ।।

## 293

সাহিত্য সভাৰ ৰঙিয়া অধিৱেশন

হ'ল বাসন্তৰ চনত

মিলিল সৌভাগ্য চিনাকি হোৱা

আছো জি-এছ পদত ।।

## 294

সভাপতি আছিল গিৰিধৰ শৰ্মা

ৰঙিয়া অধিৱেশনত ,

সাহিত্যিক সবদ মিলাৰ সুযোগ

মিলিল মোৰ কপালত ।।

## 295

সমাজ সেৱা সাহিত্য সাধনা

মোৰ জীৱনৰ ব্ৰত ,

চিনাকি হোৱাৰ সুৰ্বণ সুযোগ

সাহিত্য কাণ্ডাৰীৰ লগত ।।

## 296

শ্ৰীৰাম দাস কবি সুমস্থান

ঘৰ বৰপেটাৰ সুন্দৰী দিয়াত

অনানিযাৰ দায়িত্ব ভাৰ

দিলে কমিটিয়ে মোৰ গাত ।।

## 297

বেদনা নামে হাতে লিখা

কবিতা পুথি চাই দিলে মোৰ

লিখি থাকিবা এৰি নিদিবা

কলমৰ আছে জোৰ ।।

## 299

ৰেণু নামদি আলোচনী এখন

ৰঙিয়াৰ পৰা কৰিলো প্ৰকাশ,

ধনৰ অভাৱে নিদিলে আশা

ৰেণু ৰ হ্বব নেপালে বিকাশ ।।

## 300

অকালতে মৰিল ৰেণু খনি

খন দিলো আমাৰ দাপোনত

সম্পাদনা সমিতিত নাম থাকিল

তত্বাৱধায়ক পদৰে ।।

## 301

তিনিটি বছৰ ৰঙিয়াত কটাই

দিলো পাৰ্ট ওৱন পৰীক্ষা

সংঘ কামৰো বিস্তাৰ হ'ল

কাৰ্য্যকৰ্ত্তাৰ চলালে সমীক্ষা ।।

## 302

তিনিবছৰ পিচত মোক

বদলি কৰিলে বৰপেটা বুলি

নিশিকান্ত যোগীয়ে আছিল

জিলা প্ৰচাৰকত দায়িত্ব চম্ভালী ।।

আজি দক্ষিণ পশ্চিম গুৱাহাটী মহাবিদ্যালয়ত সাধাৰণ সভা অনুষ্ঠিত হৈ যায় । সভাত ৰাইজে মোক মহাবিদ্যালয়খনৰ সা সম্পাদক নিৰ্বাচন কৰে।

আজি দিনত ১১ বজাত মই কলেজ খন বোৱাৰ মানসে কলেজত উপস্থিত হওঁ আৰু কলেজৰ শিক্ষক শিক্ষায়িত্ৰী সকলৰ লগত আলোচনাত বহো ।

আজি সন্ধিয়া ৮ বজাত মহাবিদ্যালয়ৰ সভাপতি শ্ৰী কুলেশ্বৰ বড়োৰ লগত দীপক ডেকাৰ সৈতে মিলিত হৈ মহাবিদ্যালয় খনৰ উন্নতিৰ হকে আলোচনা বিলোচনা কৰা হয় আৰু অহা ৰবিবাৰে প্ৰাক্তন সম্পাদনাৰ পৰা কাৰ্য্যালয়ৰ সামগ্ৰী খিনি সমজি লোৱাৰ বাবে দিন ঠিক কৰা হয় ।

আজি ৰাতি পুৱা কলেজৰ প্ৰাক্তন সম্পাদক মড়লি ফোন কৰি পুৰনি কাৰ্য্যবিৱৰনী বহীখন খোজে ।

লাভেশ্বৰী দাস আৰু মানিক দত্ত মোৰ ঘৰলৈ আহে ।

আজি কলেজত সুশীল বৰঠাকুৰ ,মুনি আৰু (শৰ্মা) আৰু দীপক ডেকাৰ উপস্থিতিত প্ৰাক্তন সম্পাদকে মোক কলেজৰ যাৱতীয় সামগ্ৰী চমজাই দিয়ে দিনৰ ১১ বজাত । এঘন্টা পলম হয় ।

## ধূপ কিদৰে হম

সুগন্ধি সুবাস খনষ্ঠ

বন্তিও নহলো

শলিতাত তেল নাই

পোহৰত নাই মোৰ মূল্য

এন্ধাৰ তহে লাগে

ধূপৰে আছে শ্বকীয় আসন

সুৱাস যাৰ পবিত্ৰ স্বীকৃতি,

চাকিও জ্বলে নাম ঘৰে ঘৰে

দেৱতাৰ পাদতলো জ্বলি ।

কিন্তু মই মম,

পোহৰত যাৰ মূল্য

এন্ধাৰত হে লাগে মোক,

নিৰৱে জ্বলি জ্বলি

এন্ধাৰ নাশি

পোহৰ দিও আনি

তথাপি ও নেপাওঁ স্বীকৃতি

এয়াই মোক ডুখৰ কাহিনী ।

১১-৮-০৪

**তুমি  শাৰদা সাৰদা**

‘শ’ আহি আগত বহাত

‘া’ আকাৰে দিলে বাধা

তাৰ পিছত ‘ৰ’ আহি

নিদিলে ‘শ’ হ’ব ।

‘া’ কাৰ আৰু ‘ৰ’ লগলাগি

দিলে ‘শ’ ক প্ৰাণ দান,

‘দ’ বোলে ‘দা’ লৈ

নিব নোৱাৰা ‘শ’ৰ প্ৰাণ।।

‘শ’ ৰ লগত ‘া’ কাৰ ‘ৰ’

আৰু ‘দা’ লগ হৈ

দিলে ‘শাৰদা’ ৰ জীৱন দান,

তিনি অক্ষৰৰ অপূৰ্বব সংমিশ্ৰণত

সংগঠিত হৈ পৰিল

এক মহান সংগঠন।।

কোনোৱে মাতে তোমাক

‘শাৰদা’ বুলি

আৰু কোনোৱে কয়

‘সাৰদা’ দেৱী সম্ভোধী।।

‘শাৰদা’ ৰূপে তুমি

হোৱা মহিষমৰ্দ্দিনী

জগত পাৱনী শক্তিদাত্ৰী,

‘সাৰদা’ ৰূপ লৈ

হোৱা তুমি বীনাপানি

আই জ্ঞান মাতৃ।।

যি নামেৰে নেমাতক কিয়

তুমি অপাৰ শক্তিৰে সৰ্ব গুণী

সাৰ্থক তোমাৰ নাম

নামে ‘শাৰদা’ ‘সাৰদা’ দেৱী ৰূপী।।

তিনি বন্ধু অক্ষৰে কয়

নকৰিৱা কৰ্মৰ অহংকাৰ

আমি সঙ্গ বাদ দিলে কিন্তু

পাবাগৈ পুনৰ ‘শ’ ৰ আকাৰ ।।

২৮-১২-০২

১৭-৩-০২ কলেজৰ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ

২৮-৩-০২ কলেজ শিক্ষক সকলোৰ সৈতে আলোচনা

২৪-৩-০২ কলেজৰ নথিপত্ৰ গ্ৰহণ বিখাৰে বাবদ লে অহা যে

২৮-৩-০২ শ্ৰী ফুলেশ্বৰৰ সৈতে (দীপকৰ লগত)কলেজ সম্পৰ্কে আলোচনা

স্থান – ফুলেশ্বৰ ঘৰ

২-৪-০২ ফুলেশ্বৰ দীপক আৰু মহন্ত ফুলেশ্বৰ ঘৰত বহী ৭-০৪-০২ তাৰিখে কাৰ্যকাৰি সমিতি বহাৰ সিদ্ধান্ত ফুলেশ্বৰ ঘৰত

২-৪-০২ চিঠি ছপোৱায়ে ১৫০ খন

৩-৪-০২ মুণীন শৰ্মাৰ আৰু দেৱ দাসৰ দ্বাৰা চিঠি বিতৰণ

৭-০৪-০২ নতুন পুৰণি কাৰ্যকাৰীৰ সভাৰ সদস্য আৰু শুভাকাংশীৰ সভা, স্থান, চম্পাৱতী হাইস্কুল

১০-০৪-০২ বিজৱাচক্ৰবৰ্ত্তীক কলেজৰ অনুদানৰ বাবে দৰ্খাস্ত দিবলৈ যোৱা হয়।

১১-০৪-০২ ইন্দ্ৰমণি বৰাক কলেজৰ বাবে দৰ্খাস্ত দিয়া হয় ।

বতাহত কলেজৰ বেৰা মেৰামতি দেৱ দাসৰ দ্বাৰা হয়

১০-৫-০২ কলেজৰ চিঠিবিতৰণ ছপা

১৮-৫-০২ চম্পাৰতীত সভা c o l l e c t i o n বহী কাম্যাখা দাস ছদিয়া

২০-৫-০২ কলেজৰ মাটিৰ যাতে মণ্ডলক লগ ধৰা হয় –ষ্টেডিয়াময়-কলেজ

২৬-৫-০২ ফলেশ্বৰ, মহন্ত সৈতে c o l l e c t i o n ত যোৱা হয়।

২৭-০৫-০২ c o l l e c t i o n ৰ বাবে বলেন নাথক লগ ধৰা হয়।

২৮-৫-০২ দীপক বহী দিয়া হয়

৬-৫-০২ আজি ৰাতিপুৰা ফুলেশ্বৰ বড়ো সভাপতি আৰু দীপক ডেকা আহে।

৬-৫-০২ কলেজ পৰিদৰ্শনৰ বাবে ইনপেকচনে আহে।

১৬-৭-০২ দীপক ডেকা নাম ভৰ্ত্তিৰ বেনাৰ লিখা।

১৭-৭-০২ আজি দীপক ডেকা বেংকৰ পৰা পইচা উলিয়াৰলৈ দিয়া হয়।

মা নিষাদ প্ৰতিষ্ঠাৰ ত্বম গমঃ

শাশ্বতী সমাঃ।

যৎক্ৰৌ ঞ্চমিথু নাদেকমধী

কামমোহিতম ।।

THANK YOU

Visit – www.rongilibarta.com

For daily updates….

Contact – 9854215286

E-mail – rongilibartamedhi@gmail.com